**1 SEM TDC ASMH (CBCS) C 2**

**2021**

( Held in January/February, 2022 )

ASSAMESE

( Core )

Paper : C–2

( অসমীয়া সাহিত্যৰ বুৰঞ্জী–২ )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ (যি কোনো আঠোটা) : ১×৮=৮

(ক) 'অৰুণোদই'ৰ প্ৰথম সম্পাদক কোন?

(খ) 'ইয়াণ্ডাবু সন্ধি' কেতিয়া স্বাক্ষৰিত হৈছিল?

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ এখন ঐতিহাসিক নাটকৰ নাম উল্লেখ কৰাঁ।

(ঘ) 'আৱাহন' আলোচনী কেতিয়া প্ৰকাশ পায়?

(ঙ) অসমীয়া সাহিত্যত 'সন্ধিক্ষণৰ কবি' বুলি কাক কোৱা হয়?

(চ) প্ৰথম অসমীয়া চুটিগল্পটো কি?

(ছ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰে?

(জ) হেম বৰুৱাৰ 'সাগৰ দেখিছা' কোন শ্ৰেণীৰ সাহিত্য?

(ঝ) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কাৰ কাব্যগ্ৰন্থ?

(ঞ) নৱকান্ত বৰুৱাৰ এখন শিশু-সাহিত্যৰ নাম লিখাঁ।

২। (ক) আধুনিক অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত মিছনেৰী-সকলৰ ভূমিকা সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

৩। (ক) 'অৰুণোদই' কাকতৰ বিষয়বস্তুৰ আভাস দি অসমীয়া সাহিত্যলৈ 'অৰুণোদই'ৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ। ৮+৮=১৬

*অথবা*

(খ) 'অসমীয়া সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অৱদান' শীৰ্ষক এটি প্ৰবন্ধ লিখাঁ। ১৬

৪। (ক) অসমীয়া কাব্য-সাহিত্যৰ বিকাশত জোনাকীযুগৰ কবিসকলৰ ভূমিকা সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ। ১৫

*অথবা*

(খ) জোনাকীযুগৰ চুটিগল্পৰ বৈশিষ্ট্য উল্লেখ কৰি এই যুগৰ যি কোনো এগৰাকী গল্পকাৰৰ গল্পৰ বিষয়ে এটি পৰিচয়সূচক টোকা লিখাঁ।

৫। (ক) ৰামধেনুযুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱাঁ। ১৪

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো **দুটা**) : ৭×২=১৪

(১) ৰামধেনুযুগৰ চুটিগল্প

(২) ঔপন্যাসিক যোগেশ দাস

(৩) কবি হীৰেণ ভট্টাচাৰ্য

৬। (ক) আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি যি কোনো এগৰাকী কবিৰ কবিতাৰ বিষয়ে আলোচনা কৰাঁ। ৭+৮=১৫

*অথবা*

(খ) সাম্প্ৰতিক কালৰ শিশু-সাহিত্য সম্পৰ্কে এটি পৰিচয়জ্ঞাপক টোকা প্ৰস্তুত কৰাঁ। ১৫

★ ★ ★